# গুৱাহাটী উচ্চ ন্যায়ালয়

## (অসম, নাগালেণ্ড মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

## গোচৰ নং : ডব্লিউ পি(চি)/৯৯৪/২০১৪

অসীম দেব গোস্বামী

পিতা- মৃত বিশ্বদেৱ গোস্বামী, বি–২, কাঞ্চন হাউছিং কমপ্লেক্স, ১০

ৰাজত কমল পথ, চিৰিয়াখানা পথ পশ্চিম, গুৱাহাটী– ২৪।

বনাম

অসম চৰকাৰ আৰু আন এজন

প্ৰতিনিধিত্ব কৰিছে–আয়ুক্ত সচিব, অসম চৰকাৰ, জলসিঞ্চন বিভাগ, দিশপুৰ, গুৱাহাটী–৬

২ ) নিৰ্বাচন সমিতি (Selection Board)

প্ৰতিনিধিত্ব কৰিছে–অধ্যক্ষ, জলসিঞ্চন বিভাগ, জিলা– কামৰূপ, অসম

আবেদনকাৰীৰ অধিবক্তা : শ্ৰীযুত পি. কে. শৰ্মা

উত্তৰদাতাৰ অধিবক্তা : স্থায়ী অধিবক্তা, জলসিঞ্চন বিভাগ

সংলগ্ন গোচৰ: এম. চি./৭২৯/২০১৪

লোকাভিৰাম শইকীয়া

বনাম

অসীম দেব গোস্বামী আৰু অন্যান্য

------------

অধিবক্তা : শ্ৰীযুত এ. দি. চৌধুৰী

অধিবক্তা : অসীম দেব গোস্বামী আৰু অন্যান্যৰ হৈ উপস্থিত

সংলগ্ন গোচৰ: ডব্লিউ. পি. ( চি. ) /৫৬৫৪/২০১৪

অসীম দেব গোস্বামী

পিতা- স্বৰ্গীয় বিশ্বদেৱ গোস্বামী,

বি-২

কাঞ্চন হাউছিং কমপ্লেক্স, ১০

ৰাজত কমল পথ, চিৰিয়াখানা পথ পশ্চিম,

গুৱাহাটী- ২৪।

বনাম

অসম চৰকাৰ আৰু দুজন

প্ৰতিনিধিত্ব কৰিছে-আয়ুক্ত সচিব, অসম চৰকাৰ, জলসিঞ্চন বিভাগ, দিশপুৰ, গুৱাহাটী-৬

২) নিৰ্বাচন বৰ্ড

প্ৰতিনিধিত্ব কৰিছে-অধ্যক্ষ, জলসিঞ্চন বিভাগ, জিলা- কামৰূপ, অসম

৩) লোহিত চন্দ্ৰ পাঠক, অধ্যক্ষ তথা পৰিচালন সঞ্চালক, নামনি অসম কমান্ড এলেকা উন্নয়ন আৰু ৱাটাৰ ম্যানেজমেন্ট (এল.এ.চি.এ.দি.এ.এণ্ড ডব্লিউ.এম.), চানমাৰি, গুৱাহাটী-৩

অধিবক্তা : শ্ৰীযুত পি. কে. শৰ্মা

অধিবক্তা : শ্ৰী এছ, শইকীয়া, অসম চৰকাৰ আৰু দুজনৰ হৈ উপস্থিত

সংলগ্ন গোচৰ : ডব্লিউ. পি. (চি)/৪৭৫৩/২০১৪

অসীম দেব গোস্বামী

পিতা- স্বৰ্গীয় বিশ্বদেৱ গোস্বামী, বি-২, কাঞ্চন হাউছিং কমপ্লেক্স, ১০

ৰাজত কমল পথ, চিৰিয়াখানা পথ পশ্চিম, গুৱাহাটী- ২৪।

বনাম

অসম চৰকাৰ আৰু ৫জন

প্ৰতিনিধিত্ব কৰিছে–আয়ুক্ত সচিব, অসম চৰকাৰ, জলসিঞ্চন বিভাগ, দিশপুৰ, গুৱাহাটী–৬

২) নিৰ্বাচন ব'ৰ্ড

প্ৰতিনিধিত্ব কৰিছে–অধ্যক্ষ, জলসিঞ্চন বিভাগ, জিলা– কামৰূপ, অসম

৩) লোহিত চন্দ্ৰ পাঠক, অধ্যক্ষ তথা পৰিচালন সঞ্চালক,নামনি অসম কমান্ড এলেকা উন্নয়ন আৰু ৱাটাৰ ম্যানেজমেন্ট (এল.এ.চি.এ.দি.এ.এণ্ড ডব্লিউ.এম.), চানমাৰি, গুৱাহাটী–৩।

৪) মহেন্দ্ৰ মোহন বড়ো

সহকাৰী মুখ্য অভিযন্তা

ক্ষেত্ৰ–১

জলসিঞ্চন বিভাগ, বৰপেটা

জিলা– বৰপেটা অসম।

৫) বিমলা কান্ত দলে

সহকাৰী মুখ্য অভিযন্তা,

ক্ষেত্ৰ–৫

হাফলং

জিলা– ডিমা হাচাও,অসম।

৬) কুজেন্দ্ৰ দলে

IMPLEADED VIDE H.C.O. DTD. 26.11.2014

অধিবক্তা : শ্ৰীযুত কে. এন. চৌধুৰী

অধিবক্তা : অসম চৰকাৰ আৰু ৫ জনৰ হৈ উপস্থিত শ্ৰীযুত এম. কে. চৌধুৰী

**বিচাৰপীঠত উপস্থিত আছে**

**মহামান্য ন্যায়াধীশ শ্ৰীযুত সঞ্জয় কুমাৰ মেধি**

আবেদনকাৰীসকলৰ অধিবক্তা: শ্ৰী এচ্. কে. গোস্বামী,

উত্তৰদাতাসকলৰ অধিবক্তা: শ্ৰী এন. উপাধ্যায়, স্থায়ী অধিবক্তা, জলসিঞ্চন বিভাগ

শ্ৰী টি. চক্ৰৱৰ্তী, অধিবক্তা

শুনানিৰ তাৰিখ: **৩০.০৪.২০২৪**

ৰায়দানৰ তাৰিখ : **৩০.০৪.২০২৪**

**<u>ৰায় আৰু আদেশ</u>**

এই গোচৰসমূহত আবেদনকাৰীসকলৰ বিজ্ঞ অধিবক্তা শ্ৰী এচ্. কে. গোস্বামীৰ যুক্তি সমূহ শুনা হ'ল। লগতে জলসিঞ্চন বিভাগৰ স্থায়ী অধিবক্তা শ্ৰী এন. উপাধ্যায়ৰ যুক্তি সমূহো শুনা হ'ল। উত্তৰদাতা পক্ষত গোচৰটোত অন্তৰ্ভুক্ত হোৱাৰ প্ৰাৰ্থনা জনাই লেখ আবেদন(দেৱানী)/৯৯৪/২০১৪ গোচৰত বিবিধ গোচৰ/৭২৯/২০১৪ দাখিল কৰা বিজ্ঞ অধিবক্তা শ্ৰী টি. চক্ৰৱৰ্তীও উপস্থিত আছে।

২) আৰম্ভণিতে, আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই এই ন্যায়ালয়ক অৱগত কৰিছে যে এই গোচৰসমূহৰ যথেষ্ট অগ্ৰগতি হৈছে আৰু আবেদনকাৰীক, তেওঁৰ বিভাগীয় পদোন্নতি আৰু জ্যেষ্ঠতাৰ দাবীৰ ক্ষেত্ৰত ইতিমধ্যে মূল সকাহ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও জনাইছে যে আবেদনকাৰী আৰু স্বতন্ত্ৰ উত্তৰদাতাই ইতিমধ্যে সেৱাৰ পৰা অৱসৰ লৈছে। আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী গোস্বামীয়ে এই পৰ্যায়ত উত্থাপন কৰা একমাত্ৰ বিষয় হৈছে বিভাগৰ মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) হিচাপে সেৱাৰ নিয়মিতকৰণ।

৩) আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী গোস্বামীয়ে এই গোচৰসমূহকে ধৰি কেইবাটাও লেখ আবেদনত ৮-১-২০১৫ তাৰিখে প্ৰদান কৰা এই ন্যায়ালয়ৰ আদেশৰ বিষয়ে উল্লেখ কৰিছে।উক্ত আদেশৰ দ্বাৰা আবেদনকাৰীক মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদৰ দায়িত্ব ল'বলৈ অনুমতি দিয়াৰ নিৰ্দেশ দিয়া হৈছিল আৰু নিয়মীয়া পদোন্নতিৰ বাবে তেওঁৰ গোচৰটো পৰৱৰ্তী ডি.পি.চি.ত বিবেচনা কৰা হব বুলি কোৱা হৈছিল।

৪) দাখিল কৰা হৈছে যে উক্ত নিৰ্দেশ অনুসৰি, আবেদনকাৰীক ২২.০১.২০১৫ তাৰিখৰ এক আদেশৰ জৰিয়তে মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদৰ দায়িত্ব ল'বলৈ অনুমতি

দিয়া হৈছিল আৰু ৩১.৩.২০১৫ তাৰিখে আবেদনকাৰীয়ে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। সেই অনুসৰি, বিজ্ঞ অধিবক্তাই দাবী কৰে যে পূৰ্বতে উল্লেখ কৰা আদেশৰ পিছতো তেওঁৰ মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদবীৰ সেৱা নিয়মীয়া কৰা হোৱা নাই।

৫) জলসিঞ্চন বিভাগৰ বিজ্ঞ স্থায়ী অধিবক্তা শ্ৰী এন. উপাধ্যায়ে অৱশ্যে দাখিল কৰে যে আবেদনকাৰীক প্ৰকৃততে ওপৰোক্ত পদলৈ পদোন্নতিৰ সুবিধা দিয়া হৈছিল নে নাই সেই সম্পৰ্কে কোনো নিৰ্দেশনা নাছিল।২০১৪ চনত গোচৰটোত পক্ষ হিচাপে যোগ হ'বলৈ আবেদন দাখিল কৰা, বিজ্ঞ অধিবক্তা শ্ৰী টি. চক্ৰৱৰ্তীয়ে প্ৰতিনিধিত্ব কৰা পদাধিষ্ঠিত ব্যক্তিজনৰ ভূমিকা বা স্থিতি বৰ্তমানৰ বিচাৰ চলি থকা বিষয়টোৰ লগত প্ৰাসংগিক নহ'বও পাৰে।

৬)বৰ্তমান চলি থকা গোচৰটো সমাধান কৰিবলৈ, এই আদালতৰ ০৮.০১.২০১৫ তাৰিখৰ আদেশৰ প্ৰাসংগিক অংশটো অন্তৰ্ভুক্ত কৰিলে সুবিধাজনক হ'ব। বৰ্তমানৰ লেখ আবেদনকে ধৰি কেইবাটাও গোচৰত এই আদেশ জাৰি কৰা হৈছে। আদেশৰ এই নিৰ্দিষ্ট অংশটো তলত উল্লেখ কৰা হ'ল–

*১৬–১২–২০১৪ তাৰিখে ন্যায়ালয়ৰ কাৰ্য্যপ্ৰক্ৰিয়াৰ সময়ত বিভাগীয় অধিবক্তা ড° আহমেদে কয় যে আবেদনকাৰী (শ্ৰী অসীম দেৱ গোস্বামী)ক মুখ্য অভিযন্তাৰ পদৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ ভিত্তিত এই ন্যায়ালয়ে নিৰ্দেশ দিছিল যে ন্যায়ালয়ৰ অনুমতি নোলোৱাকৈ প্ৰতিবাদী কৰ্তৃপক্ষই মুখ্য অভিযন্তাৰ পদত আন কাৰোবাক অধিস্থত* অধিষ্ঠিত *কৰিব নোৱাৰিব।*

*একাধিক আবেদনত উত্থাপিত বিতৰ্কিত বিষয়সমূহৰ বিষয়ে আলোচনা নকৰাকৈয়ে স্বীকাৰ কৰা হৈছে যে, আজিৰ তাৰিখলৈকে আবেদনকাৰী শ্ৰীযুত অসীম দেৱ গোস্বামী জলসিঞ্চন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তাৰ পদবীত অধিষ্ঠিত আটাইতকৈ জ্যেষ্ঠ বিষয়া।এইটোও উল্লেখ কৰা হৈছে যে ৩১-০৩-২০১৫ তাৰিখে তেওঁ অৱসৰ গ্ৰহণ কৰিব।*

*মোকৰ্দমাৰ পটভূমিৰ প্ৰতি লক্ষ্য ৰাখি আৰু ২০১৪ চনৰ ১৬ ডিচেম্বৰৰ আদেশকে ধৰি এই ন্যায়ালয়ে প্ৰদান কৰা আদেশ সমূহ বিবেচনা কৰি মতপ্ৰকাশ কৰা হয় যে এই পৰ্যায়ত তলত দিয়া আদেশ জাৰি কৰিলে ন্যায়ৰ লক্ষ্য পূৰণ হ'ব । সেই অনুসৰি, নিম্নলিখিত আদেশসমূহ প্ৰদান কৰা হয়ঃ–*

*১) উত্তৰদাতা নম্বৰ ১, অৰ্থাৎ, অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ আয়ুক্ত আৰু সচিবে আজিৰ পৰা সাত (৭) দিনৰ ভিতৰত আবেদনকাৰী শ্ৰী অসীম দেব গোস্বামীক নিৰ্বাচন প্ৰক্ৰিয়া চূড়ান্ত নোহোৱালৈকে, মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদৰ দায়িত্ব লবলৈ অনুমতি প্ৰদান কৰি প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰিব।*

*২) ২০১৫ চনৰ ২০ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া বিভাগীয় পদোন্নতি সমিতিৰ বৈঠকত, মুখ্য অভিযন্তা পদত নিয়মীয়াকৈ পদোন্নতিৰ বাবে আন আন যোগ্য প্ৰাৰ্থীৰ সৈতে আবেদনকাৰী শ্ৰীযুত অসীম দেৱ গোস্বামীৰ বিষয়টো বিবেচনা কৰা হ'ব।*

*৩) ১৬-১২-২০১৪ তাৰিখৰ আদেশ সেই অনুসৰি সংশোধন কৰা হৈছে।*

৭)যদিও বিজ্ঞ স্থায়ী অধিবক্তা শ্ৰী উপাধ্যায় উপৰত উল্লেখিত আদেশৰ ৰূপায়ণ বা ফলাফলৰ বিষয়ে নিশ্চিত নাছিল, আবেদনকাৰীৰ অধিবক্তা শ্ৰী গোস্বামীয়ে এই অনিশ্চয়তা সমাধান কৰিছে। তেওঁ এই ন্যায়ালয়ৰ সন্মুখত ২২ জানুৱাৰী, ২০১৫ তাৰিখে বিভাগৰ দ্বাৰা জাৰি কৰা আদেশৰ এটা প্ৰতিলিপি উপস্থাপন কৰিছিল, য'ত আবেদনকাৰীক পূৰ্বতে উল্লেখ কৰা অনুসৰি ৮ জানুৱাৰী, ২০১৫ তাৰিখৰ আদেশ অনুসৰি মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদৰ দায়িত্ব লবলৈ অনুমতি দিয়া হৈছিল।

৮)ইয়াৰ উপৰিও আবেদনকাৰীয়ে ২০১৫ চনৰ ৩১ মাৰ্চত মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদত অধিষ্ঠিত হৈ অৱসৰৰ বয়স হোৱাত অৱসৰ গ্ৰহণ কৰাটোও বিতৰ্কাতীত।

৯)ওপৰৰ তথ্য, পৰিস্থিতি, আৰু এই ন্যায়ালয়ে কৰা পৰ্যবেক্ষণসমূহৰ প্ৰতি লক্ষ্য ৰাখি, যিসমূহ ২০১৫ চনৰ ৮ জানুৱাৰী তাৰিখৰ আদেশত লিপিবদ্ধ কৰা হৈছে, আবেদনকাৰীক মুখ্য অভিযন্তা (ক্ষুদ্ৰ জলসিঞ্চন) পদৰ নিয়মীয়াকৰণ অস্বীকাৰ কৰাটো ন্যায্য বা যুক্তিসংগত নহ'ব।

১০)সেই অনুসৰি, মুখ্য অভিযন্তা(ক্ষুদ্ৰ জলসিঞ্চন)পদত আবেদনকাৰীৰ সেৱা নিয়মিতকৰণৰ বাবে বিবেচনা কৰিবলৈ আৰু এনে নিয়মিতকৰণৰ পিছত প্ৰাপ্ত হোৱা সুবিধাসমূহ প্ৰদান কৰিবলৈ উত্তৰদাতা বিভাগক আদেশ প্ৰদান কৰি এই সকলো লেখ আবেদন নিষ্পত্তি কৰা হয়। ওপৰৰ প্ৰক্ৰিয়াটো সহজ কৰি তুলিবলৈ আবেদনকাৰীক আজিৰ পৰা ১০ দিনৰ ভিতৰত, বৰ্তমানৰ আদেশৰ প্ৰমাণিত প্ৰতিলিপি আৰু এই ন্যায়ালয়ৰ প্ৰাসংগিক আদেশৰ প্ৰতিলিপিকে ধৰি বিশদ আবেদন বিভাগত দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

১১)ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়াটো এই আবেদন লাভ কৰাৰ তাৰিখৰ পৰা ৪ (চাৰি) মাহৰ ভিতৰত তৎকালীনভাৱে সম্পূৰ্ণ কৰিব লাগিব।

১২)২০১৫ চনৰ ২২ জানুৱাৰী তাৰিখৰ আদেশৰ প্ৰতিলিপি ৰেকৰ্ডত অন্তৰ্ভুক্ত কৰা হৈছে।

১৩) বিবিধ গোচৰকে ধৰি সকলো লেখ আবেদন ইয়াৰ দ্বাৰা নিষ্পত্তি কৰা হয়।

ৰিজাওতা **ন্যায়াধীশ**

-----------------------------------

অনুবাদক-কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।”